# গৌহাটি উচ্চ ন্যায়ালয়

**<u>(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)</u>**

**গোচৰ নং : ফৌজাদাৰী আপীল (জে)/৬০/২০১৮**

মমি বৰা

পত্নী- প্ৰয়াত দেবেন বৰা, নিবাস - দহিখুৰ দোলাকাশৰীয়া গাওঁ

থানা- যোৰহাট,

জিলা- যোৰহাট

বনাম

অসম চৰকাৰ

(লোক অধিবক্তা, অসমৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা)

আবেদনকাৰিৰ অধিবক্তা- শ্ৰীমতি ৰিতুৰাজ দত্ত, Amicus Curiae (আদালতৰ বন্ধু)

প্ৰতিপক্ষৰ অধিবক্তা- লোক অধিবক্তা, অসম

**মহামান্য ন্যায়াধীশ শ্ৰীযুত সুমন শ্যাম**

**মহামান্য ন্যায়াধীশ শ্ৰীযুত পাৰ্থিৱজ্যোতি শইকীয়া**

তাৰিখ : ১৩-০৮-২০২১

## ৰায় আৰু আদেশ (মৌখিক)

(**মহামান্য ন্যায়াধীশ শ্ৰীযুত সুমন শ্যাম**)

আপীলকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰীযুত এম কে দাস আৰু আপীলকাৰীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ amicus curiae (আদালতৰ বন্ধু) শ্ৰীমতী আৰ দত্তৰ যুক্তি শুনা হ'ল। ৰাজ্য চৰকাৰৰ হৈ যুক্তি প্ৰদৰ্শন কৰা শ্ৰীযুত এম ফুকন, বিজ্ঞ লোক অধিবক্তা, অসম আৰু তেঁওক সহযোগ কৰা অতিৰিক্ত লোক অধিবক্তা শ্ৰীমতী বি ভুঞাৰ যুক্তি শুনা হ'ল। গোচৰিয়াৰ হৈ কোনো হাজিৰ হোৱা নাই।

(২) ১১/০৪/২০১৮ তাৰিখে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশৰ দ্বাৰা সত্ৰ ন্যায়াধীশ, যোৰহাটে সত্ৰ গোচৰ নং ১৪৭(জে-জে)/২০১৭ৰ সন্দৰ্ভত একমাত্ৰ আপীলকাৰী শ্ৰীমতী মমী বৰাক তেঁওৰ স্বামীৰ হত্যাৰ অপৰাধত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত দোষী সাব্যস্ত কৰে আৰু তেওঁক আজীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ১৫,০০০/- টকা জৰিমনা বিহে আৰু এই জৰিমনা অনাদায়ে আইনমতে ভুগিবলগীয়া শাস্তি বিহে।

(৩) গোচৰৰ চমু বিৱৰণী এই যে ২৩-০৬-২০১৭ তাৰিখে সন্ধিয়া আপীলকাৰীয়ে স্বামী দেবেন বৰাক হত্যা কৰাৰ উদ্দেশ্যেৰে তেওঁৰ মূৰত এক লোহাৰ টুকুৰাৰে আঘাত কৰিছিল যাৰ ফলত ভুক্তভোগীজনৰ গুৰুতৰ আঘাত হৈছিল। আঘাটপ্ৰাপ্ত অৱস্থাত তেঁওক যোৰহাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও পিছত চিকিৎসকে তেঁওক মৃত বুলি ঘোষণা কৰে।

৪/ ২৩-০৬-২০১৭ তাৰিখে ভুক্তভোগীৰ জ্যেষ্ঠ ভাতৃ অৰ্থাৎ শ্ৰী বীৰেন চন্দ্ৰ বৰাই ঘটনা সম্পৰ্কে যোৰহাটৰ ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ আগত এজাহাৰ দাখিল কৰে। ভোগদৈ আৰক্ষী চকীৰ সাধাৰণ পঞ্জীত প্ৰবেশ নম্বৰ ৩৯৪ অন্তৰ্ভুক্ত কৰি, এজাহাৰখন যোৰহাট আৰক্ষী থানালৈ প্ৰেৰণ কৰা হয়। এজাহাৰৰ ভিত্তিত যোৰহাট থানাৰ গোচৰ নং ১৩৩৪/২০১৭ ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত পঞ্জীয়ন কৰা হয়। এই গোচৰৰ তদন্তৰ দ্বায়িত্ব উপ পৰিদৰ্শক শ্ৰী প্ৰদীপ খনিকৰৰ ওপৰত ন্যস্ত কৰা হয়। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তদন্তকাৰী বিষয়াই ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। অভিযোগনামাৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত অভিযুক্ত/ আপীলকাৰীৰ বিৰুদ্ধে 'চাৰ্জ' ফ্ৰেম কৰা হৈছিল। 'চাৰ্জ'টো পঢ়ি অভিযুক্তক বুজাই দিয়া হৈছিল যদিও যিহেতু তেঁও দোষ বুলি স্বীকাৰ কৰা নাই আৰু বিচাৰৰ সন্মুখীন হ'বলৈ প্ৰস্তুত, সেয়েহে গোচৰটো বিচাৰৰ বাবে থিৰ কৰা হ'ল।

(৫) আপীলকাৰীৰ বিৰুদ্ধে হত্যাৰ 'চাৰ্জ' সুপ্ৰতিষ্ঠিত কৰিবলৈ বিচাৰপক্ষই ৮ (আঠ) গৰাকী সাক্ষীক পৰীক্ষা কৰিছিল। এই গোচৰত কোনো প্ৰত্যক্ষদৰ্শী নাই আৰু গোচৰটো সম্পূৰ্ণৰূপে পৰিস্থিতিগত প্ৰমাণৰ ওপৰত ভিত্তি কৰি কৰা হৈছে।

৬) গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী বীৰেণ চন্দ্ৰ বৰা এই গোচৰৰ এজাহাৰকাৰী আৰু ভুক্তভোগীৰ জ্যেষ্ঠ ভাতৃ। এই সাক্ষীয়ে সাক্ষ্যদান কৰিছে যে ২৩-০৬-২০১৭ তাৰিখে তেওঁ যোৰহাটলৈ আহিছিল আৰু কাম শেষ হোৱাৰ পিছত প্ৰায় ০৬:৩০ বজাত তিতাবৰলৈ উভতি আহিছিল। সেই সময়ত তেওঁৰ কনিষ্ঠ ভাতৃ শ্ৰী নৰেণ বৰাই তেওঁক মোবাইল ফোনযোগে জনাইছিল যে অভিযুক্তই তেওঁৰ স্বামী দেবেন বৰাক এক লৌহনিৰ্মিত বস্তুৰে আক্ৰমণ কৰিছিল আৰু ভুক্তভোগীৰ অৱস্থা অতি গুৰুতৰ প্ৰকৃতিৰ। এই খবৰ পোৱাৰ লগে লগে তেওঁ ভাতৃক আহতজনক যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ চিকিৎসাৰ বাবে লৈ যাবলৈ পৰামৰ্শ দিছিল আৰু লগতে কৈছিল যে কম সময়ৰ ভিতৰতে তেওঁও চিকিৎসালয়লৈ যাব । কিছু সময়ৰ পাছত তেওঁ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু

চিকিৎসালয়ত উপস্থিত হৈছিল। এই সাক্ষীয়ে এইটোও উল্লেখ কৰিছে যে তেওঁৰ কনিষ্ঠ ভাতৃ দেবেন বৰাক তেওঁৰ ভাতৃৰ

পত্নী অৰ্থাৎ অভিযুক্তই আক্ৰমণ কৰা বুলি তেঁও ভোগদৈ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। অৱশ্যে ইয়াৰ মাজতে তেওঁৰ কনিষ্ঠ ভাতৃ নৰেণ বৰাই তেওঁক ফোনযোগে জনায় যে দেবেন বৰাৰ আঘাতত ফলত মৃত্যু হৈছে আৰু সেয়েহে তেওঁ এজাহাৰত উল্লেখ কৰিছিল যে অভিযুক্তই মৃতকক আক্ৰমণ কৰাৰ পৰিণতিত মৃতকৰ যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত মৃত্যু হৈছে । এই সাক্ষীয়ে প্ৰদৰ্শক- ১ এজাহাৰ বুলি উল্লেখ কৰিছে আৰু তাত তেওঁৰ স্বাক্ষৰ প্ৰদৰ্শক- ১(১) হিচাপে প্ৰমাণ কৰিছে। জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষীয়ে অস্বীকাৰ কৰিছে যে অনুসূচিত জাতি (এছ চি) সম্প্ৰদায়ৰ এগৰাকী মহিলাক বিয়া কৰোৱাৰ পিছৰে পৰা তেওঁৰ আৰু তেওঁৰ মৃত ভাতৃৰ মাজত থকা সম্পৰ্কত কেৰোণ লাগিছিল। সেই অঞ্চলত বাস কৰা আন লোকৰ পৰা পোৱা তথ্য অনুসৰি মৃত লোকজন মদ্যপায়ী আছিল বুলিও গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছিল।

৭) গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী দিপক বৰা জব্দনামাৰ সাক্ষী আৰু তেওঁ আদালতৰ সন্মুখত সাক্ষ্যদান কৰিছে যে তেওঁৰ উপস্থিতিত আৰক্ষীয়ে প্ৰদৰ্শক ৩ ৰ জৰিয়তে লোহাৰ বস্তু জব্দ কৰিছিল আৰু প্ৰদৰ্শক ৩ (১) তেওঁৰ স্বাক্ষৰ । জেৰাৰ সময়ত এই সাক্ষীয়ে উল্লেখ কৰিছে যে তেওঁ ঘটনাৰ বিষয়ে বা কি পৰিস্থিতিত মৃতকৰ মৃত্যু হৈছিল সেই বিষয়ে একো নাজানে আৰু মৃত ব্যক্তিজনে অনবৰতে সুৰা সেৱন কৰিছিল নে নাই সেইয়াও তেঁও ক’ব পৰা নাছিল।

৮) গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী প্ৰেমধৰ বৰা আন এজন জব্দনামাৰ সাক্ষী যিয়ে নিজৰ সাক্ষ্যত এই কথাও নিশ্চিত কৰিছিল যে আৰক্ষীয়ে লোহাৰ বস্তু প্ৰদৰ্শক ৩ ৰ জৰিয়তে জব্দ কৰিছে আৰু প্ৰদৰ্শক ৩ (১) জব্দনামাত তেওঁৰ স্বাক্ষৰ । এই সাক্ষীজনক অৱশ্যে গোচৰীয়া পক্ষৰ বিৰোধী সাক্ষী (hostile) বুলি ঘোষণা কৰা হৈছিল। প্ৰতিৰক্ষা পক্ষই কৰা জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছে যে মৃত

লোকজন অভ্যাসগত সুৰাপায়ী আছিল আৰু তেওঁ গোটেই দিনটো সুৰা সেৱন কৰিছিল। তেওঁ লগতে উল্লেখ কৰিছে যে মৃত ব্যক্তিজন পেছাত এজন ৰাজমিস্ত্ৰী আছিল।

৯) গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী ডাঃ স্বৰাজ ফুকন ২৪-০৬-২০১৭ তাৰিখে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত কৰ্তব্যৰত চিকিৎসক আছিল আৰু তেওঁ দেবেন বৰাৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰিছিল। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অনুসৰি মৃতদেহটোত তলত দিয়া আঘাতসমূহ পোৱা গৈছে।

আঘাতসমূহ:

(i) মাষ্ট'ইড প্ৰচেচৰ ১০ চে.মি. ওপৰত আৰু মূৰৰ ছালৰ সোঁ পেৰিটেল অংশত থকা ৮ চে.মি. x ১ চে.মি. আকাৰৰ কটা ঘা। আঘাতটো তিৰ্যক অৱস্থাত আছে।

(ii) মাষ্ট'ইড প্ৰচেচৰ ৯ চে.মি. ওপৰত আৰু মূৰৰ ছালৰ সোঁ পেৰিটেল অংশত থকা ১০ চে.মি. x ১ চে.মি. আকাৰৰ কটা ঘা। আঘাতটো তিৰ্যক অৱস্থাত আছে।

(iii) মাষ্ট'ইড প্ৰচেচৰ ৭.৫ চে.মি. ওপৰত আৰু মূৰৰ ছালৰ সোঁ পেৰিটেল অংশত থকা ৫ চে.মি. x ১ চে.মি. আকাৰৰ কটা ঘা। আঘাতটো তিৰ্যক অৱস্থাত আছে।

(iv) মাষ্ট'ইড প্ৰচেচৰ ৪ চে.মি. ওপৰত আৰু মূৰৰ ছালৰ সোঁ পেৰিটেল অংশত থকা ৪ চে.মি. x ১ চে.মি. আকাৰৰ কটা ঘা। আঘাতটো উলম্ব অৱস্থাত আছে।

আঘাতসমূহৰ জোখবোৰ অনিয়মিত। মৃত্যুৰ আগতে গোট খোৱা তেজ যিবোৰ আঘাতসমূহত লাগি আছিল সেইবোৰ তেজ সহজতে নলৰ পানীৰে ধুলে গুচি নাযায়।

মূৰৰ ছালখনৰ Reflection ৰ দেখা যায় যে সেইখন সোঁ পেৰিট' টেম্প'ৰ'-অক্সিপিটেল অঞ্চলত Contused হৈ আছে আৰু মূৰৰ ছালৰ তলত থকা সোঁ পেৰিটেল, সোঁ টেম্প'ৰেল আৰু অক্সিপিটেল হাড়ৰ depressed comminuted fracture দেখা যায়। মেনিনজিছ আৰু মগজু ফাটি যোৱা আৰু মগজুৰ কিছু অংশ ওলাই অহা দেখা যায়।

বৰ্ণনা কৰা ধৰণে মূৰত হোৱা আঘাতৰ পিছত ক'মা হোৱাটোৱেই মৃত্যুৰ কাৰণ বুলি, আঘাতবোৰ মৃত্যুৰ আগতে হোৱা বুলি আৰু আঘাতবোৰ ভোটা অস্ত্ৰৰ দ্বাৰা কৰা বুলি আৰু এইবোৰ মৃত্যু ঘটাব পৰা জখম বুলি চিকিৎসকগৰাকীয়ে মতামত দিছিল।

গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষীয়ে তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছিল যে প্ৰতিবেদনত আঘাতসমূত কিমান পুৰণি সেইয়া উল্লেখ কৰা হোৱা নাই আৰু কঠিন পদাৰ্থৰ ওপৰত পৰিলে এনে ধৰণৰ আঘাত হোৱাৰ সম্ভাৱনা নাই।

১০) গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী শ্ৰী নৰেণ বৰা মৃতকৰ এজন জ্যেষ্ঠ ভাতৃ। এই সাক্ষীয়ে সাক্ষ্যদান কৰিছিল যে ঘটনাৰ দিনা তেওঁ নিজৰ ঘৰত উপস্থিত আছিল। তেনেতে দেবেন বৰাৰ ঘৰত হুলস্থুলৰ শব্দ শুনিছিল। তেতিয়া তেওঁ নিজৰ বাসগৃহৰ পৰা প্ৰায় দুঘৰ দূৰত্বত থকা তেঁওৰ সৰু ভায়েক দেবেন বৰাৰ ঘৰৰ ফালে আগবাঢ়ি গৈছিল। তাতে তেওঁ প্ৰত্যক্ষ কৰিছিল যে দেবেন বৰা মজিয়াত পৰি আছে আৰু তেওঁৰ শৰীৰৰ পৰা তেজ ওলাই আছে। লগে লগে তেওঁ ১০৮ এম্বুলেন্সলৈ ফোন কৰি আহত ব্যক্তিজনক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ লৈ গৈছিল। গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষীৰ মতে, সেই সময়ত দেবেন বৰাই একো ক'ব পৰা নাছিল। এই সাক্ষীয়েও উল্লেখ কৰিছে যে তেওঁ অভিযুক্ত মমী বৰাক হাতত লোহাৰ প্লেট লৈ ঘৰৰ বাৰাণ্ডাত দেখা পাইছিল। তাই লোহাৰ প্লেটখন মাটিত খুন্দা মাৰি আছিল। ঘটনা সন্দৰ্ভত তেওঁ অভিযুক্তক একো সোধা নাছিল। চিকিৎসালয়ত এই

ঘটনাৰ প্ৰায় এঘণ্টাৰ পিছত সেইদিনা আঘাতপ্ৰাপ্ত হোৱাৰ বাবে তেওঁৰ সৰু ভাতৃয়ে মৃত্যুক সাৱটি লয়। বস্তু প্ৰদৰ্শক- ১ লোহাৰ প্লেট। এই সাক্ষীয়েও সাক্ষ্যদান কৰিছে যে কাৰ্যবাহী দণ্ডাধীশ শ্ৰী ডি বৰাই মৃতদেহটোৰ ওপৰত চুৰৎহাল কৰিছিল আৰু তদন্তৰ প্ৰতিবেদন দাখিল কৰিছিল (প্ৰদৰ্শক- ২) আৰু প্ৰদৰ্শক- ২(২) তেওঁৰ স্বাক্ষৰ। জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছিল যে তেওঁ এই ঘটনাটো দেখা নাছিল আৰু কি পৰিস্থিতিত তেওঁৰ সৰু ভাইটিৰ মৃত্যু হৈছে সেয়াও তেওঁ নাজানে। তেওঁ লগতে উল্লেখ কৰিছিল যে তেওঁৰ সৰু ভাইটিয়ে আগতে মদ্যপান কৰিছিল আৰু তেওঁ স্থানীয় অঞ্চলত অশান্তিৰ সৃষ্টি কৰিছিল। গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছিল যে তেওঁৰ ভাতৃয়ে মদ্যপান কৰাৰ পিছত ওচৰ-চুবুৰীয়াক আক্ৰমণ কৰিছিল।

১১) গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষী শ্ৰীমতী অৰুণা বৰা ওচৰ চুবুৰীয়া আৰু তেওঁ এই ঘটনা ২৩-০৬-২০১৭ তাৰিখে সংঘটিত হোৱা বুলি সাক্ষ্যদান কৰিছে। সেইদিনা তেঁও দেবেন বৰাৰ ঘৰত হুলস্থুল শুনাৰ সময়ত তেঁও বাথৰুমত ভিতৰত আছিল। সেই অনুসৰি তেঁও ঘৰৰ পৰা ওলাই আহি দেবেন বৰাৰ ঘৰৰ ফালে আগবাঢ়ি গৈছিল। তেঁও প্ৰত্যক্ষ কৰিলে যে দেবেন বৰা ঘৰৰ মজিয়াত পৰি আছে আৰু কিছুমান কথা কৈ আছে। তাৰ পিছত তেঁও দেবেন বৰাৰ ঘৰৰ পৰা ওলাই ঘৰলৈ উভতি আহিল। গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষী য়ে উল্লেখ কৰিছে যে তেওঁ অভিযুক্তক নিজৰ সন্তানৰ সৈতে কান্দি থকা দেখিছিল। আৰক্ষীয়ে এখন লোহাৰ প্লেট প্ৰদৰ্শক ৩ ৰ জৰিয়তে অভিযুক্তৰ ঘৰৰ পৰা জব্দ কৰাৰ সময়ত তেঁও তাতে উপস্থিত আছিল আৰু প্ৰদৰ্শক ৩(৩) তেঁওৰ স্বাক্ষৰ। এই সাক্ষীয়ে এইটোও নিশ্চিত কৰিছে যে বস্তু প্ৰদৰ্শক ১ জব্দকৃত লোহাৰ প্লেট। জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষীয়ে পুনৰ কৈছিল যে তেওঁ অভিযুক্তৰ বাসগৃহত উপস্থিত হৈ অভিযুক্ত আৰু অভিযুক্তগৰাকীক সন্তানৰ সৈতে কান্দি থকা দেখিছিল আৰু দেখিছিল যে মৃতকে মজিয়াত পৰি থকা অৱস্থাত কিবা কৈ আছে।

১২) গোচৰীয়া পক্ষৰ ৭ নম্বৰ সাক্ষী অৰ্থাৎ উপ পৰিদৰ্শক শ্ৰী প্ৰদীপ খনিকৰ, আৰক্ষী থানাত পঞ্জীভুক্ত গোচৰৰ তদন্ত দায়িত্ব অৰ্পণ কৰা

হৈছিল। গোচৰীয়া পক্ষৰ  ৭ নম্বৰ সাক্ষীয়ে সাক্ষ্যদান কৰিছে যে ২৩-০৬-২০১৭ তাৰিখে তেওঁ ভোগদৈ আৰক্ষী চকীত সংলগ্ন বিষয়া হিচাপে কৰ্মৰত আছিল। সেইদিনা চকীত কৰ্মৰত তদন্তকাৰী বিষয়াই বীৰেণ চন্দ্ৰ বৰাৰ পৰা এজাহাৰ পাইছিল আৰু সেই অনুসৰি ২৩/০৬/২০১৭ তৰিখে তেঁও সাধাৰণ পঞ্জিত প্ৰবেশ নম্বৰ ৩৯৪ অন্তৰ্ভুক্ত কৰি, এজাহাৰখন গোচৰ ৰুজু কৰাৰ বাবে যোৰহাট আৰক্ষী থানালৈ প্ৰেৰণ কৰে। গোচৰীয়া পক্ষৰ ৭ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছিল যে তেওঁ যোৰহাট থানাৰ গোচৰ নং ১৩৩৪/২০১৭ সন্দৰ্ভত অনুসন্ধান চলাইছিল। তদন্তৰ সময়ত তেওঁ সাক্ষীসকলৰ বক্তব্য লিপিবদ্ধ কৰিছিল, এজাহাৰকাৰিক সোধপোচ কৰিছিল আৰু ঘটনাস্থলীৰ থুলমুল মানচিত্ৰ অংকন  কৰিছিল। গোচৰীয়া পক্ষৰ  ৭ নম্বৰ সাক্ষীয়ে উল্লেখ কৰিছিল যে তেওঁ অভিযুক্তৰ ঘৰত এগৰাকী মহিলা পুলিচ কনিষ্টবলক এজাহাৰ পোৱাৰ তাৰিখে মোতায়েন কৰিছিল আৰু পিছদিনা পুৱা তেওঁৰ (অভিযুক্তৰ) বক্তব্য লিপিবদ্ধ কৰিছিল। অভিযুক্তক থানালৈ নিয়াৰ পূৰ্বে তেওঁ অভিযুক্তই উলিয়াই দিয়া এখন লোহাৰ প্লেট, যাৰ দ্বাৰা অভিযুক্তই মৃতকক আক্ৰমণ কৰিছিল, সেইখন জব্দ কৰিছিল। প্ৰদৰ্শক- ৩ হৈছে লোহাৰ প্লেট জব্দ কৰা জব্দনামা আৰু প্ৰদৰ্শক- ৩(৪) তেওঁৰ স্বাক্ষৰ । বস্তু প্ৰদৰ্শক - ১ হ'ল সেইখন লোহাৰ প্লেট।  তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তেওঁ অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। তদন্তকাৰী বিষয়াজনে লগতে জনাইছে যে গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী প্ৰেমধৰ বৰাই তেওঁৰ সন্মুখত উল্লেখ কৰিছিল যে ঘটনাৰ দিনা মৃতকৰ পত্নী অৰ্থাৎ মমী বৰাই লোহাৰ বস্তুৰে স্বামী দেবেন বৰাক আক্ৰমণ কৰিছিল যাৰ বাবে তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল আৰু পিছত চিকিৎসালয়ত আঘাতপ্ৰাপ্ত অৱস্থাত মৃত্যুবৰণ কৰিছিল আৰু উক্ত বস্তুটো অভিযুক্তই আৰক্ষীৰ আগত গতাই দিওঁতে সেইটো তেওঁৰ সন্মুখতে জব্দ কৰা হৈছিল।

১৩) গোচৰীয়া পক্ষৰ ৮ নম্বৰ সাক্ষী  শ্ৰী ধীৰেন বৰগোহাঁই ২৩-০৬-২০১৭ তাৰিখে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় আৰক্ষী চকীত সহকাৰী উপ-পৰিদৰ্শক হিচাপে কৰ্মৰত আছিল। তেওঁ সাক্ষ্যদান কৰিছে যে সেইদিনা ড° পি বৰুৱাই চকীত জনাইছিল যে এজন ব্যক্তি অৰ্থাৎ ড. দেবেন বৰাক আহত অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু

তেওঁ গম পাইছিল যে উক্ত ব্যক্তিজনে ২৩-০৬-২০17 তাৰিখে আঘাতপ্ৰাপ্ত অৱস্থাত মৃত্যুবৰণ কৰিছিল।

১৪) ফৌজাদাৰি কাৰ্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা তেওঁৰ সাক্ষ্যত অভিযুক্তই তেঁও ঘটনাৰ লগত জড়িত থকাৰ কথা অস্বীকাৰ কৰিছিল আৰু মৃতকে মহিলাগৰাকী মজিয়াত পৰি মূৰত আঘাত পোৱা বুলি উল্লেখ কৰিছিল। তেঁও স্বামীক আক্ৰমণ কৰাৰ কথাও অস্বীকাৰ কৰিছিল আৰু দাবী কৰিছিল যে তেওঁক গোচৰটোত মিছাকৈ জড়িত কৰা হৈছে। গোচৰীয়া পক্ষই প্ৰদান কৰা সাক্ষ্যৰ প্ৰতি লক্ষ্য কৰি যোৰহাটৰ বিজ্ঞ সত্ৰ ন্যায়াধীশে মত পোষণ কৰে যে শেষবাৰৰ বাবে একেলগে দেখা পৰিস্থিতিকে ধৰি পৰিস্থিতিৰ শৃংখল স্থাপন কৰাত গোচৰীয়া পক্ষ সফল হৈছে যাৰ জৰিয়তে হত্যাৰ অভিযোগ প্ৰমাণ কৰিব পৰা যায়। অভিযুক্তই স্বামীৰ মৃত্যুৰ পৰিস্থিতিৰ কোনো যুক্তিসংগত ব্যাখ্যা আগবঢ়াব নোৱাৰা কথাটোৱেও ঘটনাৰ পৰিস্থিতিৰ শৃংখলৰ ক্ষেত্ৰত অতিৰিক্ত সংযোগ হিচাপে গণ্য কৰা হৈছিল যাতে আপীলকাৰী দোষী সাব্যস্ত হয়।

১৫) ১১-০৪-২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ উল্লেখ কৰি আপীলকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী দাসে যুক্তি দিছে যে গোচৰীয়া পক্ষই সোধপোচ কৰা সাক্ষীৰ সাক্ষ্যত কিছুমান গুৰুতৰ কথা বাদ পৰিছে আৰু সেই সাক্ষ্যৰ মাজত বৈপৰীত্য আছে। তদুপৰি, দাস ডাঙৰীয়াই দাখিল কৰে যে গোচৰৰ অন্যতম মূল সাক্ষী অৰ্থাৎ গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীয়ে গোচৰটোক সমৰ্থন কৰা নাছিল আৰু তেওঁক বিৰোধী সাক্ষী হিচাপে ঘোষণা কৰা হৈছিল। এই ঘটনাৰ কোনো প্ৰত্যক্ষদৰ্শী নাই আৰু মৃত ব্যক্তিজনৰ কি পৰিস্থিতিত মৃত্যু হৈছিল সেইয়া গোচৰীয়া পক্ষই প্ৰমাণ কৰাত ব্যৰ্থ হৈছে। যিহেতু অভিযুক্তই এই ঘটনাৰ সৈতে তেওঁ জড়িত থকাৰ কথা অস্বীকাৰ কৰিছিল গতিকে অভিযুক্ত/আপিলকাৰীৰ বিৰুদ্ধে উত্থাপিত হত্যাৰ অভিযোগটো যুক্তিসংগত সন্দেহৰ উৰ্ধত প্ৰতিষ্ঠা কৰাটো গোচৰীয়া পক্ষৰ দায়িত্ব আছিল যিটো তেওঁলোকে এই গোচৰত কৰিব পৰা নাই। মৃতকৰ মৃত্যু কি পৰিস্থিতিত হৈছিল আৰু লগতে আপীলকাৰী এই ঘটনাৰ সৈতে জড়িত হোৱাৰ ক্ষেত্ৰতো গুৰুতৰ সন্দেহৰ সৃষ্টি হৈছে। সেই অনুসৰি, দাস ডাঙৰীয়াই দাখিল কৰে যে বিজ্ঞ বিচাৰ আদালতে ১১-০৪-২০১৮ তাৰিখে

প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশ বাতিল কৰিব লাগে আৰু এই গোচৰত আপীলকাৰীয়ে সন্দেহৰ লাভালাভৰ ভিত্তিত খালাচ পাব লাগে।

১৬) বিকল্প দাখিল হিচাপে দাস ডাঙৰীয়াই যুক্তি দিছে যে গোচৰৰ নথিত উপলব্ধ সাক্ষ্য প্ৰমাণে সূচায় যে মৃত ব্যক্তিজন অভ্যাসগত মদ্যপায়ী আছিল আৰু তেওঁ নিয়মিতভাৱে কেৱল নিজৰ ওচৰ-চুবুৰীয়াৰ মানুহৰ লগতে নহয় পত্নীৰ সৈতেও কাজিয়া কৰিছিল।এনে কাজিয়াৰ বাবেই আপীলকাৰীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাইছিল আৰু মৃতকৰ দ্বাৰা উচটনি দিয়াত তেওঁক আক্ৰমণ কৰিছিল। দাস ডাঙৰীয়াই দাবী কৰে যে এই গোচৰত কোনো প্ৰি-মেডিটেচন (অপৰাধটো পুৰ্ব্ব পৰিকল্পিত নহয়) নাই আৰু আপীলকাৰীয়েও পৰিস্থিতিৰ কোনো অযথা সুবিধা লোৱা নাই। তেনেদৰে আমি বিবেচনা কৰোঁ যে আপীলকাৰীৰ দোষী সাব্যস্ত হোৱাটো আইপিচিৰ ধাৰা ৩০৪ দ্বিতীয় খণ্ডৰ অধীনত এক দোষ হিচাপে ৰূপান্তৰিত কৰাৰ যোগ্য আৰু কাৰাদণ্ডৰ শাস্তি সংশ্লিষ্টভাৱে হ্ৰাস কৰা হ'ব। দাস ডাঙৰীয়াই লগতে দাখিল কৰিছে যে ঘটনাৰ সময়ত আপীলকাৰীৰ নাবালক পুত্ৰৰ বয়স প্ৰায় ১০ বছৰ আৰু কন্যাৰ বয়স প্ৰায় ৬ বছৰ আছিল। গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ লগতে তেওঁৰ নাবালক সন্তানৰ ভৱিষ্যতৰ কথা বিবেচনা কৰি আপীলকাৰীক আইনৰ অধীনত অনুমোদিত নূন্যতম শাস্তি প্ৰদান কৰা হওক। ওপৰৰ যুক্তিৰ সমৰ্থনত দাস ডাঙৰীয়াই এই আদালতে শ্ৰীমতী সুলজিনা ধন বনাম অসম চৰকাৰ আৰু অন্য এজন ২০১৮ চনৰ এচ চি চি গোচৰত দিয়া সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছে।

১৭) ওপৰৰ যুক্তিৰ উত্তৰ দি বিজ্ঞ লোক অধিবক্তা, অসমে দাখিল কৰিছে যে সাক্ষ্যত উপলব্ধ প্ৰমাণে এইটো প্ৰতীয়মান কৰে যে মৃতকৰ ঘৰত ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰত কোনো সন্দেহৰ অৱকাশ নাই আৰু আপীলকাৰীৰ বাহিৰে সেই সময়ত ঘৰৰ ভিতৰত আন কোনো প্ৰাপ্তবয়স্ক সদস্য উপস্থিত নাছিল। গতিকে এইটো স্পষ্ট যে আপীলকাৰীৰ বাহিৰে আন কোনোৱেই তেওঁৰ স্বামীক মাৰাত্মকভাৱে আক্ৰমণ কৰি আঘাত কৰা নাছিল, যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। ফুকন ডাঙৰীয়াই অৱশ্যে

নিৰপেক্ষভাবে দাখিল কৰিছে যে গোচৰৰ নথিত থকা পৰ্য্যাপ্ত সমলে এই ঘটনাৰ পূৰ্বে মৃতক আৰু তেওঁৰ পত্নীৰ মাজত কাজিয়া হোৱাৰ সম্ভাৱনাৰ ইংগিত দিয়ে আৰু সেয়েহে এই গোচৰত আপীলকাৰীক গুৰুতৰভাবে হঠাৎ প্ৰৰোচনা কৰাৰ সম্ভাৱনীয়তা সম্পূৰ্ণভাবে নুই কৰিব নোৱাৰি।

১৮) আমি দুয়োপক্ষৰ বাবে বিজ্ঞ অধিবক্তাই উত্থাপন কৰা যুক্তিসমূহ বিবেচনা কৰিছো আৰু গোচৰৰ নথিত উপলব্ধ সমলসমূহো সুক্ষ্মভাবে পৰীক্ষা কৰিছো। গোচৰীয়া পক্ষৰ ৫ আৰু ৬ নম্বৰ সাক্ষীৰ সাক্ষ্যৰ পৰা প্ৰতিষ্ঠা হৈছে যে ২৩-০৬-২০১৭ তাৰিখে সন্ধিয়াৰ সময়ত এই ঘটনা সংঘটিত হৈছিল আৰু ভুক্তভোগীজনক আঘাতপ্ৰাপ্ত অৱস্থাত মজিয়াত পৰি থকা অৱস্থাত উদ্ধাৰ কৰা হৈছিল আৰু তেওঁৰ শৰীৰৰ পৰা তেজ ওলাই আছিল।তদন্তকাৰী বিষয়া অৰ্থাৎ গোচৰীয়া পক্ষৰ ৭ নম্বৰ সাক্ষীয়ে অভিযুক্তৰ বক্তব্য লিপিবদ্ধ কৰা বুলি জবানবন্দি দি কৈছে যে অভিযুক্তই লোহাৰ প্লেট এখন উলিয়াই দিওতে তেঁও সেইখনো জব্দ কৰিছিল আৰু সেই সময়ত অভিযুক্তই কৈছিল যে তেওঁ সেইখনেৰে মৃতকক আক্ৰমণ কৰিছিল। মৰণোত্তৰ প্ৰতিবেদন অৰ্থাৎ প্ৰদৰ্শক- ৪ য়েও সন্দেহৰ উৰ্ধত প্ৰতিষ্ঠা কৰিছে যে মৃত ব্যক্তিজনৰ মূৰত আঘাত পোৱাৰ বাবে মৃত্যু হৈছিল। গোচৰৰ নথিত উপলব্ধ সমলৰ পৰা প্ৰমাণিত হৈছে যে এই ঘটনা সংঘটিত হোৱাৰ সময়ত মৃত ব্যক্তি, তেওঁৰ পত্নী অৰ্থাৎ আপীলকাৰী আৰু নাবালক সন্তান দুটাৰ বাহিৰে ঘৰৰ ভিতৰত আন কোনো উপস্থিত নাছিল। যদিও আপীলকাৰীয়ে ফৌজাদাৰী কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা তেওঁৰ জবানবন্দীত কৈছিল যে মৃত ব্যক্তিজনে মজিয়াত পৰি আঘাতপ্ৰাপ্ত হৈছিল, গোচৰৰ নথিত উপলব্ধ চিকিৎসা সম্পৰ্কীয় নথিয়ে এনে জবানবন্দী সমৰ্থন নকৰে। ওপৰৰ কথাখিনিৰ বাহিৰে অভিযুক্তই মৃত ব্যক্তিজনে কি পৰিস্থিতিত মাৰাত্মক আঘাত পাইছিল সেই সম্পৰ্কে আৰু কোনো যুক্তিযুক্ত ব্যাখ্যা দিব পৰা নাছিল।গোচৰৰ নথিত উপলব্ধ এনে প্ৰমাণ আৰু লগতে শেষবাৰৰ বাবে একেলগে দেখাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিদ্বান সত্ৰ ন্যায়াধীশে আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰিছিল। তলত বিদ্বান আদালতে লিপিবদ্ধ কৰা তথ্যক বিঘ্নিত কৰাৰ কোনো ন্যায্য ভিত্তি আমি বিচাৰি নাপাওঁ।

১৯) আপীলকাৰীৰ অধিবক্তাই উত্থাপন কৰা বিকল্প আবেদনৰ বিবেচনা কৰিলে দেখা যায় যে এই গোচৰৰ অপৰাধ পূৰ্ব-পৰিকল্পিত নাছিল আৰু আপীলকাৰীয়ে গুৰুতৰভাবে হঠাৎে কৰা প্ৰৰোচনাৰ বাবে এনে কাম কৰিছিল। সেয়েহে বৰ্তমানৰ গোচৰটো ভাৰতীয় দণ্ডবিধি আইনৰ ৩০০ ধাৰাৰ অধীনত Exception (ব্যতিক্ৰম) IV ৰ অধীনত আহিব আৰু ইয়াত উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষীয়ে তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছে যে মৃত ব্যক্তিজন মদ্যপায়ী আছিল। গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষীৰ উপৰোক্ত সাক্ষ্য সমৰ্থন কৰে গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীয়ে প্ৰদান কৰা সাক্ষ্যই। যদিও গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীক বিৰোধী সাক্ষী হিচাপে ঘোষণা কৰা হৈছিল, তথাপিও আমি দেখিবলৈ পাওঁ যে মৃত ব্যক্তিজন অভ্যাসগত মদ্যপায়ী আছিল বুলি তেওঁৰ সাক্ষ্য গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষীয়ে যথাযথভাৱে সমৰ্থন কৰিছে আৰু সেয়েহে এইটো সত্য যেন লাগে। গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী আৰু গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীৰ সাক্ষ্যৰ পৰা দ্বিধাহীনভাৱে ধাৰণা কৰিব পাৰি যে মৃত ব্যক্তিজন অভ্যাসগত মদ্যপায়ী আছিল।

২০) প্ৰতিপক্ষৰ দ্বাৰা কৰা জেৰাৰ সময়ত তদন্তকাৰী বিষয়াই এই কথা অস্বীকাৰ কৰিছে যে অভিযুক্তই তেওঁক কোৱা নাছিল যে তেওঁৰ স্বামীয়ে তেওঁৰ ওপৰত কৰা অত্যাচাৰৰ বাবে তেওঁ তেওঁৰ স্বামীক আক্ৰমণ কৰিছিল। তদন্তকাৰী বিষয়াই দিয়া এনে সাক্ষীৰ এই অৰ্থ হ'ব যে অভিযুক্তই প্ৰকৃততে তেওঁৰ সন্মুখত উল্লেখ কৰিছিল যে তেওঁৰ স্বামীয়ে সুৰা সেৱনৰ পিছত পৰিয়ালৰ সদস্যসকলক অত্যাচাৰ কৰিছিল। গোচৰ পঁঞ্জী সযতনে পৰীক্ষা কৰিলে আমি এইটোও দেখিবলৈ পাওঁ যে অভিযুক্তই প্ৰকৃততে তদন্তকাৰী বিষয়াৰ আগত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১৬১ অধীনত লিপিবদ্ধ কৰা জবানবন্দীত তেনেকৈয়ে উল্লেখ কৰিছিল।

২১) গোচৰীয়াপক্ষৰ ২, ৩ আৰু ৭ নম্বৰ সাক্ষীৰ সাক্ষ্যক সামূহিকভাবে বিবেচনা কৰিলে আমি দেখিবলৈ পাওঁ যে মৃত ব্যক্তিজন অভ্যাসগত মদ্যপায়ী আছিল আৰু মদ্যপান কৰি তেওঁ পত্নীক অৰ্থাৎ আপীলকাৰীক অত্যাচাৰ কৰিছিল।

২২) গোচৰীয়াপক্ষৰ ৫ আৰু ৫ নম্বৰ দুয়োজন সাক্ষীয়েই সাক্ষ্য দিছে যে ঘটনা সংঘটিত হোৱাৰ দিনটোত তেওঁলোকে মৃতকৰ ঘৰৰ পৰা হুলস্থূল শুনিছিল আৰু লগে লগে তাত উপস্থিত হোৱাৰ পিছত তেঁওলোকে মৃতকজনক আঘাতপ্ৰাপ্ত অৱস্থাত মজিয়াত পৰি থকা অৱস্থাত পাইছিল। হুলস্থুলটোও চুবুৰীয়াই শুনিব পৰাকৈ ডাঙৰ আছিল। মৃতকৰ ঘৰত উপস্থিত হোৱাৰ পিছত তেওঁলোকে আপীলকাৰীক বাৰান্দাত লগ পাইছিল। গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষীয়েও উল্লেখ কৰিছে যে তেওঁ আপীলকাৰীক সন্তানৰ সৈতে কান্দি থকা দেখিছিল। গোচৰীয়া পক্ষই দিয়া ওপৰোক্ত সাক্ষ্যই দৃঢ়ভাৱে সূচায় যে সেই ঘটনাৰ ঠিক আগতেই মৃতক আৰু আপীলকাৰীৰ মাজত তৰ্ক-বিতৰ্ক হৈছিল যিয়ে হুলস্থুলৰ সৃষ্টি কৰিছিল। ওপৰৰ কথাখিনিৰ পৰা এইটোও দেখা যায় যে এই ঘটনাৰ ঠিক আগতেই মৃতক আৰু তেওঁৰ পত্নীৰ মাজত কাজিয়া হৈছিল যিয়ে আপীলকাৰীয়ক হঠাতে প্ৰৰোচিত কৰিছিল আৰু তেঁও আত্মনিয়ন্ত্ৰণ হেৰুৱাই মৃতকক আঘাত কৰিছিল।

২৩) মৃতকৰ আঘাতৰ প্ৰকৃতিৰ কথালৈ আহিলে, যদিও মৰণোত্তৰ প্ৰতিবেদন (প্ৰদৰ্শক- ৪) য়ে এটা ধাৰণা দিয়ে যে মৃতদেহটোৰ ওপৰত ০৪ (চাৰি) টা কটা আঘাত পোৱা গৈছে, তথাপিও অসম চৰকাৰৰ বিজ্ঞ লোক অধিবক্তা শ্ৰীযুত ফুকনৰ সহযোগত সুক্ষমভাবে চিকিৎসা সম্পৰ্কীয় সমলসমূহ পৰীক্ষা কৰিলে দেখা যায় যে আঘাতৰ কাৰণ আছিল সম্ভাৱত দুটা ভিন্ন প্ৰহাৰ। সোঁফালৰ পেৰিট'-টেম্প'ৰ'-অক্সিপিটেল এলেকাত পোৱা আঘাত ভোটা অস্ত্ৰেৰে কৰা যেন অনুমান হ'য়, যিটো সম্ভৱতঃ তদন্ত বিষয়াই জব্দ কৰা লোহাৰ প্লেটখন আছিল। পেৰিটেল মূৰৰ ছালত হোৱা আঘাতৰ স্থান আৰু আকাৰৰ পৰা এইটোও দেখা যায় যে ই মাত্ৰ এবাৰ কৰা আঘাতৰ ফল, কাৰণ আপীলকাৰীয়ে সম্ভৱতঃ মৃতকক একেখন লোহাৰ প্লেটেৰে একে স্থানতে একাধিকবাৰ আঘাত কৰিব নোৱাৰিলেহেঁতেন।

২৪) মূৰৰ ছালৰ টেম্প'ৰেল অংশৰ ওপৰত পোৱা ৪ চে.মি x ১ চে.মি জোখৰ কটা জখম মৃতক মজিয়াত পৰি যোৱাৰ ফলত হোৱা জখম যেন অনুমান হয়। গোচৰৰ নথিত উপলদ্ধ চিকিৎসা সম্পৰ্কীয় সমলবোৰ সুক্ষমভাবে চালি জাৰি চালে দেখা যায় যে মূৰৰ পেৰিটনিয়াল অংশত হোৱা

আঘাতৰ কাৰণ আছিল "লোহাৰ প্লেট"ৰ দ্বাৰা কৰা আঘাত যাৰ ফলত তিনিটামান কটা জখম হৈছিল। কিন্তু মূৰৰ ছালৰ টেম্প'ৰেল অংশত আঘাত মজিয়াত পৰি যোৱাৰ বাবে হৈছিল। তদুপৰি সেইয়া মৃতকৰ পেৰিটেল অংশত মাত্ৰ এবাৰ ভোটা বস্তুৰে আঘাত কৰাৰ ফলত হোৱা যেন বোধ হয়।

২৫) ওপৰৰ প্ৰসংগত ইয়াত এইটোও মন কৰিবলগীয়া যে আপীলকাৰীয়ে মৃতকক আঘাত কৰিবলৈ ব্যৱহাৰ কৰা বস্তুটো (লোহাৰ প্লেট) সাধাৰণতে গুৰুতৰ আঘাত কৰিবলৈ ব্যৱহাৰ কৰা "দা" বা "চুৰি"ৰ দৰে নহয়। গোচৰত উপলব্ধ সমলসমূহ সম্পূৰ্ণৰূপে অনুধাবন কৰি, আমি এই মত পোষণ কৰো যে আপীলকাৰীয়ে মৃতকৰ মূৰত "মাত্ৰ এবাৰ আঘাত" কৰিছিল যিটো সোঁ পেৰিটেল মূৰৰ অংশত পৰিছিল। গতিকে তাইৰ হত্যাৰ উদ্দেশ্য নাছিল বুলি ক'ব নোৱাৰি। কিন্তু এনে আক্ৰমণ ভুক্তভোগীয়ে মদ্যপান কৰি পত্নীক কৰা নিৰ্যাতনৰ ফল আছিল যেন লাগে। সুৰাসক্ত অৱস্থাত পত্নীৰ ওপৰত নিৰ্যাতন চলোৱাৰ ক্ষেত্ৰত মৃতকৰ এনে আচৰণে, চুড়ান্ত পৰ্য্যায় পাইছিল ২৩-০৬-২০১৭ তাৰিখে আৰু মৃতক আৰু আপীলকাৰীৰ মাজত কাজিয়াৰ সৃষ্টি হৈছিল যিয়ে আপীলকাৰীক যথেষ্ট উত্তেজিত কৰিছিল আৰু এনে উত্তেজনাৰ বশৱৰ্তী হৈ তাৰ পিছত তেঁওৰ স্বামীৰ মূৰত আঘাত কৰিছিল। গোচৰৰ নথিত উপলব্ধ সমলৰ দ্বাৰাও প্ৰমাণ হৈছে যে আপীলকাৰীয়ে নিজৰ দুটা সন্তানৰ সৈতে বাৰাণ্ডাত কান্দি আছিল যিয়ে স্পষ্টভাৱে দেখুৱাইছে যে এই ঘটনাৰ পিছত আপীলকাৰীৰ গভীৰ অনুশোচনা হৈছিল।

২৬) ইয়াত এইটো লক্ষ্য কৰাটো সম্পূৰ্ণ অপ্ৰাসংগিক নহয় যে গোচৰীয়া পক্ষই অপৰাধৰ আঁৰত যদি কোনো উদ্দেশ্য আছিল, তেন্তে সেইয়া প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে। তেনেক্ষেত্ৰত এই আদালতৰ বাবে অনুমান কৰাটো কঠিন যে সাধাৰণ পৰিস্থিতিত দুজন নাবালক সন্তান থকা এগৰাকী ভাৰতীয় গৃহিণীয়ে গুৰুতৰভাবে আৰু হঠাতে প্ৰৰোচিত নহলেও স্বামীক মাৰাত্মকভাৱে আক্ৰমণ কৰিব পাৰিব। গতিকে আমি বিনা দ্বিধাই এই মত পোষণ কৰো যে যদিও আপীলকাৰীৰ হত্যাৰ উদ্দেশ্য নাছিল বুলি ক'ব নোৱাৰি, তথাপিও

তেঁও গুৰুতৰভাৱে আৰু হঠাৎে প্ৰৰোচিত হৈ আত্মনিয়ন্ত্ৰণ হেৰুৱাইহে স্বামীক আঘাত কৰিছিল।

২৭) ভাৰতীয় কাৰ্য্যবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা তেওঁৰ সাক্ষ্যত আপীলকাৰীয়ে মৃতকে কি পৰিস্থিতিত আঘাত পাইছিল তাৰ সঠিক ব্যাখ্যা আগবঢ়োৱাত ব্যৰ্থ হৈছে। এই সন্দৰ্ভত আমি দেখিবলৈ পাওঁ যে গোচৰটোত তেওঁক মিছাকৈ জড়িত কৰা হৈছে বুলি নিজৰ স্থিতি বজাই ৰাখি অভিযুক্তই উল্লেখ কৰিছিল যে তেওঁৰ স্বামীয়ে সুৰাসক্ত অৱস্থাত মজিয়াত পৰি আঘাতপ্ৰাপ্ত হৈছিল।ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে অভিযুক্তৰ এই বক্তব্য সঁচা যেন লাগে। এই সাক্ষীয়ে ৪ নং প্ৰশ্নৰ উত্তৰতও কৈছিল যে স্বামীৰ আঘাতৰ ফলত হোৱা ৰক্তক্ষৰণ দেখি তেওঁৰ সংজ্ঞা হেৰুৱাইছিল। কিন্তু অভিযুক্তৰ এই সাক্ষ্যত কেৱল মজিয়াত পৰিলেই মৃত ব্যক্তিজনে সোঁ পেৰিটেল মূৰৰ অংশৰ লগতে টেম্প’ৰেল মূৰৰ অংশত কেনেকৈ গুৰুতৰ আঘাত পাইছিল তাৰ সঠিক বাখ্যা আগবঢ়াব পৰা নাই। আপীলকাৰীয়ে ঘৰৰ ভিতৰত থকাৰ কথা অস্বীকাৰ কৰা নাই । পৰিস্থিতিৰ ভিত্তিত এইটো স্পষ্ট যে আপীলকাৰীয়ে এই ঘটনাৰ সৈতে জড়িত সম্পূৰ্ণ সত্য প্ৰকাশ কৰা নাই।

২৮) চুলজিনা ধন (উপৰোক্ত) গোচৰত অভিযুক্ত আছিল মৃতকৰ পত্নী যিয়ে স্বামীৰ হত্যাকাণ্ড সংঘটিত কৰাৰ বাবে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত দোষী সাব্যস্ত হৈছিল। এই ক্ষেত্ৰটো ঘটনা ঘৰৰ ভিতৰতে সংঘটিত হৈছিল আৰু তেজৰ ডোঙাত মজিয়াত পৰি থকা অৱস্থাত ভুক্তভোগীজনক পোৱা হৈছিল আৰু তেঁওৰ কাষত কুঠাৰ এখন পৰি আছিল। এই গোচৰৰ ভিত্তি আছিল পৰিস্থিতিগত প্ৰমাণ। ভাৰতীয় দণ্ডবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা তেওঁৰ জবানবন্দীত অভিযুক্তই ঘৰৰ ভিতৰত থকাৰ কথা স্বীকাৰ কৰিছিল যদিও মৃতকৰ কুঠাৰত ওপৰত পৰি মৃত্যু হোৱা বুলি কৈছিল। গোচৰীয়া পক্ষই দিয়া প্ৰমাণৰ লগতে ত্ৰিমুখ মাৰোতি কিৰ্কান বনাম মহাৰাষ্ট্ৰ চৰকাৰ গোচৰত প্ৰদান কৰা ৰায়ৰ, যিটো (২০০৬) ১০ এছচিচি ৬৮১ত প্ৰকাশ কৰা হৈছিল, প্ৰতি লক্ষ্য ৰাখি বিদ্বান সত্ৰ ন্যায়াধীশে অভিযুক্তক দোষী সাব্যস্ত কৰি আজীৱন সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। ঘটনাৰ ঠিক আগতেই অভিযুক্ত আৰু মৃতকৰ মাজত কাজিয়া

হোৱা বুলি প্ৰমাণ পোৱাৰ কথা লক্ষ্য কৰি যিহেতু  এইটো স্পষ্ট হৈছে যে অভিযুক্তই গুৰুতৰভাবে আৰু হঠাৎ প্ৰৰোচিত হোৱাৰ বাবে এই অপৰাধ কৰিছিল আৰু লগতে এই আদালতে লক্ষ্য কৰিছিল যে গুৰুতৰভাবে আৰু হঠাৎ প্ৰৰোচিত নহলে বিনাহকতে এগৰাকী মহিলাই নিজৰ স্বামীক সাধাৰণতে মাৰাত্মকভাৱে আক্ৰমণ নকৰে, সেয়েহে এই আদালতে এই গোচৰৰ ধাৰা ভাৰতীয় দণ্ডবিধি আইনৰ ৩০৪ ধাৰা খণ্ড II লৈ সলনি কৰিছিল। গোচৰৰ নথিত উপলব্ধ প্ৰমাণৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি আমি বৰ্তমানৰ গোচৰটোতো একেধৰণৰ পন্থা গ্ৰহণ কৰিব বিচাৰো।

২৯) ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে আমি ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাৰ অধীনত আপীলকাৰীৰ দোষীসাব্যস্তকৰণ বাতিল কৰি ভাৰতীয় দণ্ডবিধি আইনৰ ৩০৪ প্ৰথম খণ্ডৰ অধীনত দোষী সাব্যস্ত কৰিলোঁ। গোচৰৰ সামগ্ৰিক তথ্য আৰু পৰিস্থিতি বিবেচনা কৰি আৰু এই কথাটো লক্ষ্য কৰি যে আপীলকাৰীৰ নাবালক সন্তান আছে, আমি তেওঁক ০৫ (পাঁচ) বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড প্ৰদান কৰোঁ আৰু এই শাস্তিৰ সময়সীমাৰ ভিতৰত তেঁও ইতিমধ্যে জেলত কটোৱা সময়খিনিও অন্তৰ্ভুক্ত হ'ব। অৱশ্যে, বিদ্বান সত্ৰ ন্যায়াধীশগৰাকীয়ে আৰোপ কৰা জৰিমনা অপৰিবৰ্তিত হৈ ৰ'ব।

ওপৰোক্ত পৰ্য্যালোচনাৰ ক্ষেত্ৰত এই আবেদন আংশিকভাৱে মঞ্জুৰ কৰা হৈছে।

নিম্ন আদালতৰ নথি ঘূৰাই পঠাওক।

ন্যায়াধীশ ন্যায়াধীশ

জি এছ

মোকাবিলাকাৰি